**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 8-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। ৰাজ্যত বানৰ ফলত বিগত ২৪ ঘণ্টাত ৮ জন লোকৰ মৃত্যু। পৰিস্থিতি সামান্য উন্নত হৈছে যদিও এতিয়াও বানৰ কবলত ২২ লাখ ৭৪ হাজাৰতকৈ অধিক লোক।

২। বান পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে এহেজাৰ ৩০০ কোটি টকা মোকলাই দিয়া বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। তিনিদিনীয়া চৰকাৰী কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজিৰে পৰা ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণ।

*আৰু*

৪। হাৰাৰেত কালি অনুষ্ঠিত ভাৰত-জিম্বাব'ৱেৰ মাজৰ দ্বিতীয়খন খেলত ১০০ ৰাণত ভাৰতৰ জয়লাভ।

০০০০০০০

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ২৮ খন জিলাৰ প্ৰায় ২২ লাখ ৭৪ হাজাৰতকৈও অধিক লোক এতিয়াও বানৰ কবলত আছে। ৰাজ্যখনৰ ৯৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৪৪৬ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে আৰু ৬৮ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। প্ৰশাসনে স্থাপন কৰা ২৬৯টা আশ্ৰয় শিবিৰত ৫৩ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। তদুপৰি প্ৰশাসনে ৩৬১টা বান সাহায্য শিৱিৰ স্থাপন কৰি সাহায্য অভিযান অব্যাহত ৰাখিছে। বানৰ ফলত কালি কাছাৰ, গোৱালপাৰা, ধেমাজি আৰু শিৱসাগৰ জিলাত এজনকৈ, ধুবুৰী আৰু নলবাৰীত দুজনকৈ মুঠ ৮ জন লোকে প্ৰাণ হেৰুৱাওৱাৰ ফলত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৬লৈ বৃদ্ধি হৈছে। বানৰ ফলত ডেৰ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এন ডি আৰ এফ, এছ্ ডি আৰ এফ আৰু অন্যান্য উদ্ধাৰকাৰী বাহিনীয়ে বিগত ২৪ ঘণ্টাত বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে। কেন্দ্ৰীয় জল আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি নিমাতিঘাট, তেজপুৰ আৰু ধুবুৰীত ব্ৰহ্মপুত্ৰ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে আন কেইবাখনো নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে।

ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে যে, বান পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক ইতিমধ্যে এহেজাৰ ৩০০ কোটি টকা মোকলাই দিছে। বান শাম কটাৰ পাছত ৰাজ্যজুৰি মেগা চিকিৎসা শিৱিৰ আৰম্ভ হ'ব বুলিও তেওঁ সদৰী কৰে। আনহাতে বাৰিষাৰ পাছত ৰাজ্যত ২২০ কিলোমিটাৰ মথাউৰিৰ কাম আৰম্ভ কৰা হ'ব বুলি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই জানিবলৈ দিছে।

বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ বিভাগৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাটৰ টীয়ক ৰাজহ চক্ৰৰ অন্তৰ্গত উত্তৰ দুলীয়াৰ বগৰীগুৰিত বান পৰিস্থিতি পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে বানপ্ৰভাৱিত অঞ্চলৰ জনসাধাৰণৰ সৈতেও মত বিনিময় কৰে। পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰৰ দাৰিগজি আৰু বৰভগীয়া অঞ্চলৰ বান প্ৰভাৱিত এলেকা পৰিদৰ্শন কৰাৰ লগতে জনসাধাৰণৰ সৈতে মত বিনিময় কৰে।

মন্ত্ৰীগৰাকীয়ে জনসাধাৰণে বান সাহায্য সঠিকভাৱে লাভ কৰাটো সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকললৈ নিৰ্দেশ দিয়ে। তদুপৰি তেওঁ কাজিৰঙা অঞ্চলৰ কেইবাটাও সাহায্য শিবিৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে এই শিবিৰসমূহত উপলব্ধ সাহায্য সামগ্ৰী তথা চিকিৎসাৰ সুবিধাকে ধৰি বিভিন্ন দিশ পৰ্যবেক্ষণ কৰে। জনসাধাৰণক নিজৰ গৃহলৈ নিৰাপদে ওভতাই পঠোৱাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে বুলি তেওঁ সদৰী কৰে। কৃষিমন্ত্ৰী অতুল বৰাই কালি বোকাখাটৰ ৰজাগাঁও, কান্ধুলীমাৰী, তামুলীপথাৰ, ধনশিৰিকে ধৰি বানপানীৰ কবলত থকা অঞ্চলসমূহ পৰিদৰ্শন কৰি জনসাধাৰণৰ সৈতে মত বিনিময় কৰে।

আনহাতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই কৰিমগঞ্জ জিলাৰ বদৰপুৰ বিধানসভা সমষ্টিৰ ভাৰত-বাংলা সীমান্তত অৱস্থিত টোকৰগ্ৰামত বান প্ৰভাৱিত অঞ্চলৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰে।

ইপিনে, বানৰ কবলত পৰা বনাঞ্চলসমূহৰ জীৱ-জন্তুসমূহো দুৰ্দশাৰ সন্মুখীন হৈছে। ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ব্যাপক অঞ্চল বুৰাই পেলোৱাত এতিয়ালৈ ৬টা গঁড়, ৯৬টা পহু আদিৰ লগতে মুঠ ২৫টা বন্যপ্ৰাণী মৃত্যুৰ মুখত পৰিছে। উল্লেখযোগ্য যে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা টাইগাৰ ৰিজাৰ্ভৰ অধীনৰ ৬৯টা বন শিবিৰ বানত বুৰ গৈছে।

0000000

ৰাজ্যত চলিত বৰ্ষত বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ জৰীপ চলাই অহা ১৫ আগষ্টৰ ভিতৰত লাগতিয়াল পুঁজিৰ প্ৰস্তাৱ দাখিল কৰাৰ বাবে ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে জিলা আয়ুক্তসকললৈ নিৰ্দেশ জাৰি কৰিছে। ৰাজহচক্ৰ আৰু জিলা ভিত্তিত ক্ষয়-ক্ষতিৰ জৰীপ চলাই জিলা পৰ্যায়ৰ পৰা প্ৰস্তাৱ দাখিল কৰাৰ পাছতে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত জিলা আয়ুক্তসকললৈ পুঁজি মোকলাই দিব।

0000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যৰ শিক্ষা বিভাগৰ পৰ্যালোচনামূলক এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত নতুন বিদ্যালয় স্থাপন, নিয়োগ, সেৱা বিধি, আদালতত বিচাৰাধীন গোচৰ, মাচুল ৰেহাই আঁচনিৰ লগতে বিদ্যালয় প্ৰশাসন সম্পৰ্কীয় বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। বিদ্যালয়, মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়সমূহৰ মান উৎকৃষ্ট হৈ নুঠালৈকে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বৈঠকত শিক্ষামন্ত্ৰী ৰণোজ পেগুকে ধৰি কেইবাগৰাকীও বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

0000000

উচ্চতম ন্যায়ালয়ে আজি নীট ইউজি সন্দৰ্ভত কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰিব। এইসমূহৰ ভিতৰত নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে জনোৱা আবেদনো অন্তৰ্ভুক্ত হৈ আছে। উচ্চতম ন্যায়ালয়ৰ ৱেবচাইটত প্ৰকাশ পোৱা অনুসৰি মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় তথা ন্যায়াধীশ জে. বি. পাৰ্দ্বিৱালা আৰু মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰ পীঠে এই সন্দৰ্ভত ২৬ খন আবেদনৰ শুনানি গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, শিক্ষাৰ্থীসকলে দাখিল কৰা এই আবেদনত নীটত অনিয়ম হোৱাৰ অভিযোগৰ প্ৰসংগৰে পৃথক তথা সুকীয়া অনুসন্ধানৰ বাবে দাবী জনোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত ইতিমধ্যে এখন শপতনামা দাখিল কৰিছে। চৰকাৰে নীট ইউ জি ২০২৪ত ব্যাপক হাৰত কোনো অনিয়ম হোৱাৰ প্ৰমাণ নথকাৰ পৰিপ্ৰেক্ষিতত এই পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ কোনো প্ৰয়োজন নাই বুলি প্ৰকাশ কৰিছে।

ইপিনে, চলিত বৰ্ষৰ নীট ইউজিৰ কাউন্সেলিং তথা আসন বণ্টন প্ৰক্ৰিয়াত চলিত মাহৰ তৃতীয় সপ্তাহৰ পৰা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। কাউন্সেলিঙক লৈ বিভিন্ন বিভ্ৰান্তিৰ সৃষ্টি হৈ থকাৰ মাজতে কালি স্বাস্থ্য মন্ত্ৰালয়ে এই কথা প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে সদৰি কৰা মতে ৰাষ্ট্ৰীয় চিকিৎসা আয়োগে চলিত মাহৰ তৃতীয় সপ্তাহৰ পৰা আগষ্টৰ মাজভাগৰ ভিতৰত নীট-ইউ জি আৰু নীট-পিজিৰ আসন বণ্টন চূড়ান্ত কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পাছতে কাউন্সেলিং প্ৰক্ৰিয়া আৰম্ভ হ'ব।

০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা এন টি এ-ই স্নাতক পৰ্যায়ৰ সংযুক্ত বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা ২০২৪ৰ উত্তৰ পত্ৰ প্ৰকাশ কৰিছে। শিক্ষাৰ্থীসকলে কাইলৈৰ ভিতৰত উত্তৰ পত্ৰৰ প্ৰত্যাহ্বান জনাব পাৰিব। অহা এসপ্তাহৰ ভিতৰত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, এইবাৰ প্ৰথমবাৰৰ বাবে এই পৰীক্ষা হাইব্ৰীড পদ্ধতিত আয়োজন কৰা হৈছিল। সেই অনুসৰি ১৫টা বিষয়ৰ বাবে কলম-বহী আধাৰিত পৰীক্ষা অনুষ্ঠিত কৰাৰ বিপৰীতে ৪৮টা বিষয়ৰ বাবে কম্পিউটাৰ আধাৰিত পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। এই বছৰ ১৩ লাখ ৪০ হাজাৰৰো অধিক শিক্ষাৰ্থীয়ে ২৬১ খন কেন্দ্ৰীয়, ৰাজ্যিক, ডিমদ (deemed) আৰু ব্যক্তিগত বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্ৰমৰ বাবে পঞ্জীয়ন কৰিছে।

০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে যোৱা পহিলা জুলাইৰ পৰা বাক্সা জিলাতো বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কালি সন্ধিয়া প্ৰচাৰিত আকাশবাণী গুৱাহাটীৰ চলন্তিকা অনুষ্ঠানত আয়ুক্ত কৃষ্ণা বৰুৱাই জিলাখনত ৰূপায়ণ হৈ থকা সম্পূৰ্ণতা অভিযানৰ খতিয়ান দাঙি ধৰে। আয়ুক্তগৰাকীয়ে সদৰি কৰা মতে বাক্সা জিলাত এই অভিযান এক জুলাইৰ পৰা ৩০ ছেপ্তেম্বৰলৈ চলিব। ছটা বিভাগত কেন্দ্ৰীয় চৰকাৰে দিয়া লক্ষ্য নিৰ্ধাৰণৰ বাবে জিলা প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰিছে। জিলাখনৰ দুটা সমূহীয়া স্বাস্থ্যকেন্দ্ৰ, দুখন আদৰ্শ চিকিৎসালয়, ২৭খন প্ৰাথমকি স্বাস্থ্য কেন্দ্ৰ, এহেজাৰ ৪৫৩ টা অংগনবাড়ী কেন্দ্ৰ আৰু ২২ টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ জৰিয়তে সম্পূৰ্ণতা অভিযানৰ অধীনত গৰ্ভৱতী মহিলাসকলক সজাগ কৰাৰ প্ৰয়াস চলোৱা হ'ব বুলি আয়ুক্তগৰাকীয়ে সদৰি কৰিছে।

উল্লেখযোগ্য যে সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা তিনিদিনীয়া চৰকাৰী কাৰ্যসূচীৰে ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে মস্কোত ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ

কৰিব। এই বাৰ্ষিক সন্মিলনে প্ৰধানমন্ত্ৰী মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক দুয়োখন দেশৰ মাজৰ প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শক্তি সহযোগিতা, শিক্ষা, সংস্কৃতি তথা দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশৰ পৰ্যালোচনা কৰাৰ সুযোগ প্ৰদান কৰিব। দুয়োগৰাকী নেতাই লগতে পাৰস্পৰিক স্বাৰ্থজড়িত সাম্প্ৰতিক, আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ লৈও মত বিনিময় কৰিব। তদুপৰি তেওঁলোকে ব্ৰিকছ, চাংহাই সহযোগিতা সংস্থা, জি-২০, পূৱ এছিয়া সন্মিলন আৰু ৰাষ্ট্ৰসংঘৰ দৰে গ্ৰুপিং পৰ্যায়ত দ্বিপাক্ষিক সম্পৰ্কৰ সন্দৰ্ভতো আলোকপাত কৰিব। ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবে নৈশভোজৰ আয়োজন কৰিব। শ্ৰীমোদীয়ে কাইলৈ ৰাছিয়াত ভাৰতীয় সমূদায়ৰ লোকসকলৰ সৈতে মত-বিনিময় কৰিব।

০০০০০০০

লোকসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে দুদিনীয়া কাৰ্যসূচীৰে মণিপুৰ ভ্ৰমণ কৰিব। মণিপুৰলৈ যোৱাৰ পূৰ্বে আজি পুৱাৰ ভাগত তেওঁ শিলচৰত উপস্থিত হৈ ৰাজ্যখনৰ বান পৰিস্থিতি সন্দৰ্ভত স্থানীয় বিধায়ক তথা দলীয় নেতাসকলৰ সৈতে আলোচনাত মিলিত হ'ব বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই সদৰী কৰিছে। ৰাহুল গান্ধী, অসম-মণিপুৰ সীমান্তৰ জিৰিবামলৈ গৈ তাত আশ্ৰয় লৈ থকা গোষ্ঠী সংঘৰ্ষপীড়িত জনসাধাৰণৰ সৈতে  মত বিনিময় কৰিব। তাৰপাছত তেওঁ ইম্ফল অভিমুখে ৰাওনা হ'ব। ইপিনে, অসমৰ কংগ্ৰেছ নেতা তথা কৰ্মীসকলক গান্ধীয়ে বানপীড়িত ৰাইজক সহায় কৰাৰ আহ্বান জনায়।

০০০০০০০

ৰাজ্য চৰকাৰৰ গৃহ বিভাগে এটা নিৰ্দেশ যোগে অসম আৰক্ষীত ব্যাপক ৰদ বদল ঘটাইছে। এই নিৰ্দেশ অনুসৰি ১৪ গৰাকী আৰক্ষী বিষয়াক বদলি কৰাৰ লগতে লখিমপুৰ, বৰপেটা আৰু চিৰাঙত নতুন আৰক্ষী অধীক্ষক নিয়োগ কৰা হৈছে। বি টি এ ডিৰ আৰক্ষী মহাপৰিদৰ্শক সত্যৰাজ হাজৰিকাক তিনিচুকীয়াৰ এন ই আৰলৈ বদলি কৰা হৈছে। সেইদৰে এম পি চিৰ আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিঙক অতিৰিক্তভাৱে বি টি এ ডিৰ মহাপৰিদৰ্শকৰ দায়িত্বভাৰ অৰ্পন কৰা হৈছে। চি আই ডিৰ উপ মহাপৰিদৰ্শক ইন্দ্ৰণী বৰুৱাক চি ডব্লউ আৰলৈ বদলি কৰা হৈছে। আৰক্ষী অধীক্ষক অংকুৰ জৈনক কাহিলিপাৰাত দশম অসম আৰক্ষী বেটেলিয়নৰ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ৰে'লৱেৰ আৰক্ষী অধীক্ষক অক্ষয় গাৰ্গক চিৰাঙৰ আৰক্ষী অধীক্ষক হিচাপে বদলি কৰা হৈছে। নলবাৰীৰ দৌলাশালত থকা চতুৰ্থ অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক সুশান্ত বিশ্ব শৰ্মাৰ বৰপেটাৰ আৰক্ষী অধীক্ষক হিচাপে বদলি কৰা হৈছে।

০০০০০০০

হেমন্ত চোৰেন চৰকাৰে আজি ঝাৰখণ্ড বিধানসভাত আস্থা ভোট বিচাৰিব। এই উদ্দেশ্যে আজি বিধানসভাৰ বিশেষ অধিৱেশনৰ আহ্বান কৰা হৈছে। দিনৰ ১১ বজাত অধিৱেশন আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ঝাৰখণ্ড মুক্তি মৰ্চা, জে এম এমৰ সকলো বিধায়ককে অধিৱেশনত উপস্থিত থকাৰ নিৰ্দেশ দিছে। জে এম এম মিত্ৰজোঁটৰ কংগ্ৰেছ, আৰ জে ডি আৰু চি পি আই (এম এল) এ এই আস্থা ভোটৰ সময়ত বিধায়কসকলক উপস্থিত থাকিবলৈ কৈছে।

৮১ খন আসনযুক্ত ঝাৰখণ্ড বিধানসভাৰ ৫ খন আসন খালী হৈ আছে। আস্থা ভোটত জয়লাভ কৰাৰ বাবে ৩৯ জন বিধায়কৰ সমৰ্থনৰ প্ৰয়োজন। শাসনাধিষ্ঠিত মিত্ৰজোঁটৰ ৪৬ জন বিধায়কৰ সমৰ্থন আছে। ইয়াৰে ২৭ জন জে এম এমৰ, ১৭ জন কংগ্ৰেছৰ আৰু আৰ জে ডি তথা চি পি আই (এম. এল)ৰ এজনকৈ বিধায়ক

আছে। আনহাতে বিৰোধীৰ ২৭ জন বিধায়কৰ ২৪ জন বিজেপিৰ আৰু ৩ জন এ জে এছ ইউৰ। তিনিজন নিৰ্দলীয় বিধায়ক। উল্লেখযোগ্য যে, শপতগ্ৰহণৰ পূৰ্বে হেমন্ত চোৰেনে ৪৪ জন বিধায়কৰ সমৰ্থন পত্ৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক প্ৰদান কৰিছিল। বিধানসভাত আস্থা ভোটত জয়লাভ কৰাৰ পাছত মন্ত্ৰীসকলে শপতগ্ৰহণ কৰাৰ কথা। মন্ত্ৰীসভাত নতুন সদস্য অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

হাৰাৰেত অনুষ্ঠিত ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ দ্বিতীয়খন খেলত কালি ভাৰতে জিম্বাব'ৱেক ১০০ ৰাণত পৰাজিত কৰে।  ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেটৰ বিনিময়ত ২৩৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অভিষেক শৰ্মাই ৪৭টা বলত ১০০ ৰাণ কৰাৰ বিপৰীতে ঋতুৰাজ গাইকোৱাডে ৪৭টা বলত ৭৭ ৰাণ কৰে। প্ৰত্যুত্তৰত জিম্বাব'ৱেই ১৮ অভাৰ আৰু চাৰিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতীয় দলৰ মুকেশ কুমাৰ আৰু আৱেছ খানে তিনিটাকৈ উইকেট দখল কৰাৰ বিপৰীতে ৰবি বিষ্ণই দুটা আৰু ৱাশ্বিংটন সুন্দৰে এটা উইকেট লাভ কৰে। ইয়াৰ লগে লগে ভাৰতে পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাত ১-১ৰ সমতা স্থাপন কৰে।

০০০০০০০

ভাৰতৰ অৱিনাশ চেবেলে ফ্ৰান্সত অনুষ্ঠিত পেৰিছ ডায়মণ্ড লীগ প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত ৩ হাজাৰ মিটাৰ **ষ্টিপলছেজত** নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িছে। তাৰকা খেলুৱৈগৰাকীয়ে নিজৰ পূৰ্বৰ অভিলেখ ভংগ কৰি এই নতুন অভিলেখ গঢ়িবলৈ সমৰ্থ হয়। খেলুৱৈগৰাকীয়ে নিজৰ উৎকৃষ্ট খেল প্ৰদৰ্শন কৰি প্ৰতিযোগিতাৰ ষষ্ঠ স্থানত থাকে। ইথুপিয়াৰ আব্ৰাহাম চীমে প্ৰথম স্থান অধিকাৰ কৰে।

০০০০০০০

## Newspaper Review (07-08-2024 Morn.)

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় কেইখন বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে  বানৰ সংহাৰ সন্দৰ্ভত **ৰাজ্যত বছৰি ১০০ কোটি টকাৰ ঘৰ-দুৱাৰ উটি যায় বানত** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে। বানত এতিয়ালৈকে ৬৬ জন লোকৰ মৃত্যু হোৱাৰ বাতৰিটো দ্যা চেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে **কেন্দ্ৰৰ স্বীকৃতি পোৱা নাই অসমৰ বানে** শিৰোনামেৰে এটা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। মৃতকৰ সংখ্যা ৬৬লৈ বৃদ্ধি বিভিন্ন স্থানত বানাক্ৰান্তৰ সাহায্য নোপোৱাত ক্ষোভ শিৰোনামেৰে এটি বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দুদিনীয়া ভ্ৰমণসূচীৰে বিৰোধী নেতা ৰাহুল গান্ধীয়ে আজি মণিপুৰলৈ ৰাওনা হোৱাৰ বাতৰিটো **দৈনিক অসম, অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বৃহস্পতিবাৰে মহানগৰীৰ কৃত্ৰিম বানত উটি যোৱা ৮ বছৰীয়া শিশু অৱিনাশ সৰকাৰৰ মৃতদেহ উদ্ধাৰৰ বাতৰিটো **নিয়মীয়া বাৰ্তা, আমাৰ অসম, অসমীয়া প্ৰতিদিন** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে চৰকাৰী নিৰ্দেশ অমান্য ব্যক্তিগত স্কুলৰ শিৰোনামেৰে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে মাচুল বৃদ্ধি কৰা সন্দৰ্ভত এটা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে লাডাখত পেংগং হ্ৰদৰ পাৰত চীনা সৈন্যৰ আণ্ডাৰ গ্ৰাউণ্ড বাংকাৰ নিৰ্মাণ শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম আৰু ৰিয়ান পৰাগৰ বাবে ক্ৰিকেট ইতিহাসৰ বাতৰিটো প্ৰথম পৃষ্ঠাত **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – জোনাইত দুৰ্ঘটনাত ২ বাইক আৰোহীৰ মৃত্যু, চাইবাৰ অপৰাধীৰ বিৰুদ্ধে জুৰীয়াত দিল্লী আৰক্ষীৰ অভিযান, ইন্দোৰ আই আই টিত জিলিকিল পাঠাশাৰ কৃষাংগী কাশ্যপ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**